**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-AUGUST-2026
**Time :** 12.05 PM

# ASSAMESE 12.05 PM BULLETIN

———————————————————————————————

১। ৰাজ্যৰ সাম্প্ৰতিক বানত ১০২ জন লোকৰ প্ৰাণহানি। ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ বাবে ৩টা পৰ্যায়ৰ জৰীপ।

২। উজনি অসমৰ চাৰিখন জিলাৰ বানত ক্ষতিগ্ৰস্ত ৪৯৪ টা অংগনৱাড়ী কেন্দ্ৰলৈ আৰ্থিক সাহায্য বিতৰণ।

৩। বিশ্ব হস্তী দিৱস উপলক্ষে কাজিৰঙা আৰু মানাহ ৰাষ্ট্ৰীয় উদ্যানত বিশেষ কাৰ্যসূচী। **আৰু**

৪। ৰাজ্যৰ ২৪ খন জিলা বান আৰু খৰাং প্ৰৱণ জিলা হিচাপে চিহ্নিত।

oooooo

ৰাজ্য চৰকাৰে গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ সমীপত নিৰ্মাণ কৰিবলৈ ওলোৱা ছেটেলাইট চিটীৰ ভূমি অধিগ্ৰহণৰ বাবে প্ৰথম পৰ্যায়ত দুহেজাৰ ১০০ কোটি টকাত অনুমোদন দিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত সংবাদ মেলত মন্ত্ৰীসভাৰ সিদ্ধান্তৰ বিষয়ে সদৰি কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই প্ৰকল্পৰ ভূমি অধিগ্ৰহণত মুঠ চাৰি হাজাৰ কোটি টকা ব্যয় হ'ব।

মুখ্যমন্ত্ৰীয়ে কয়, যে সাময়িকভাৱে বন্ধ হৈ থকা মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ বাবে মন্ত্ৰীসভাই ১১৮ কোটি ৫৮ লাখ টকাত অনুমোদন দিছে। ছেপ্তেম্বৰত আঁচনিখন পুনৰ আৰম্ভ হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। ড° শৰ্মাই কয় যে বিদেশী ভাষা শিকোৱাৰ বাবে গ্ৰহণ কৰা আঁচনিৰ অধীনত এজন শিক্ষাৰ্থীক ডেৰ লাখ টকা প্ৰদান কৰা হ'ব। বিদেশী ভাষা শিকা প্ৰতিগৰাকী শিক্ষাৰ্থীক সকাহ দিয়াৰ বাবে এই অনুদান ৰাজসাহায্যযুক্ত হ'ব বুলি তেওঁ উল্লেখ কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বি টি আৰলৈ ৯০০ কোটি টকা আগবঢ়োৱাৰ বাজেট প্ৰস্তাৱৰ অংশ হিচাপে ৪৫০ কোটি টকা মুকলি কৰি দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

মন্ত্ৰীসভাই কৃষকসকলক ১০ লাখ টকা পৰ্যন্ত প্ৰকৃত উপাৰ্জনৰ ওপৰত শূন্য কৃষি কৰত অনুমোদন জনাইছে। আনহাতে, ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ বাবে বিশেষ কৰ ৰেহাইৰ প্ৰস্তাৱত মন্ত্ৰীসভাই অনুমোদন দিয়া বুলি তেওঁ জানিবলৈ দিয়ে। ড° শৰ্মাই কয়, যে বছৰি ১০ লাখ টকালৈকে লাভাংশ উপাৰ্জন কৰা ক্ষুদ্ৰ চাহ খেতিয়কসকলে কৃষি কৰ আদায় দিব নালাগে।

oooooo

ৰাজ্যৰ সাম্প্ৰতিক বানত ১০২ জন লোকৰ প্ৰাণহানি হৈছে। বানৰ ক্ষয়-ক্ষতিৰ সমীক্ষা কৰাৰ বাবে ৰাজ্যত তিনিটা পৰ্যায়ত জৰীপ কৰা হ'ব। বানৰ ক্ষয়-ক্ষতিৰ বাবদ এহেজাৰ কোটি টকা ব্যয় কৰিবলৈ লোৱা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কিছুসময়ৰ পূৰ্বে দিছপুৰত এখন সংবাদমেলত এইবিষয়ে প্ৰকাশ কৰে।

বাইট

ইপিনে, ৰাজ্যৰ বান পৰিস্থিতি সুস্থিৰ হৈছে যদিও ৭ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বান প্ৰভাৱিত হৈ আছে। সাম্প্ৰতিক বানত ৪৪১ খন গাঁৱৰ ১ লাখ ১২ হাজাৰ ৭১৮ জন লোক প্ৰভাৱিত হোৱাৰ লগতে ১০ হাজাৰ ৮৭৯ দশমিক ০-৩ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে।

উজনি অসমৰ চাৰিখন জিলাৰ ২৫৪ খন বিদ্যালয়ত ১৭ আগষ্টৰ পৰাহে পাঠদান কৰা হ'ব। শিৱসাগৰ জিলাত পাঠদানৰ বাবে উপযোগী বুলি মুৰব্বী শিক্ষকে প্ৰতিবেদন দিয়া বিদ্যালয়সমূহত কালি পুনৰ পাঠদান আৰম্ভ হয়। জিলাখনৰ বান ক্ষতিগ্ৰস্ত বিদ্যালয়সমূহ পুনৰ আৰম্ভ হোৱা সন্দৰ্ভত বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ে জাৰি কৰা নিৰ্দেশ অনুসৰি বানত এতিয়াও বুৰ গৈ থকা বিদ্যালয়, বান সাহায্য শিবিৰ হিচাপে ব্যৱহৃত বিদ্যালয় আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ কাম সম্পূৰ্ণ নোহোৱা বিদ্যালয়সমূহ ১৭ আগষ্ট পৰ্যন্ত বন্ধ ৰখা হৈছে।

০০০০০০

শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ বানত ক্ষতিগ্ৰস্ত ৪৯৪ টা অংগনৱাড়ী কেন্দ্ৰলৈ আজি আৰ্থিক সাহায্য বিতৰণ কৰা হৈছে। দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অজন্তা নেওগৰ উপস্থিতিত এই সাহায্য বিতৰণ কৰে। প্ৰতিটো অংগনৱাড়ী কেন্দ্ৰক আঢ়ৈ লাখ টকা পৰ্যন্ত মুঠ ১১ কোটি ৩০ লাখ টকা হস্তান্তৰ কৰা হ'ব। শিৱসাগৰ জিলাৰ ৩৫০ টা, চৰাইদেউৰ ৯৫, যোৰহাটৰ ৩৭ আৰু গোলাঘাটৰ ১২ টা কেন্দ্ৰলৈ এই সাহায্য আগবঢ়োৱা হৈছে।

০০০০০০

বানপীড়িত ৰাইজৰ দুখ-দুৰ্দশাৰ সময়ত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই শিৱসাগৰ জিলাৰ নেপালীখুঁটিত দ্বিতীয়টো বান সাহায্য বিতৰণ কৰে। কেন্দ্ৰটোৰ কৰ্মচাৰীসকলে সাহায্য সামগ্ৰী বিতৰণৰ উপৰিও স্থানীয় ৰাইজৰ সৈতে সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ বাবে বিশেষ উদ্যোগ গ্ৰহণ কৰে। নেপালীখুঁটিৰ লগতে নাজিৰা মহকুমাৰ অন্তৰ্গত বিভিন্ন অঞ্চলত বানপীড়িতসকলৰ বাস্তৱ অভিজ্ঞতা, দৈনিক সমস্যা আৰু তেওঁলোকৰ মনৰ কথা পোনপটীয়াকৈ সংগ্ৰহ কৰি আকাশবাণীৰ মাধ্যমেৰে শ্ৰোতাসকলৰ ওচৰ চপাই নিয়াৰ প্ৰয়াস কৰে। এই কাৰ্যসূচীত কেন্দ্ৰটোৰ মুৰব্বী কে কে বেংমা আৰু অনুষ্ঠানসমূহৰ মুৰব্বী ইন্দিৰা মৰাং উপস্থিত থাকে। দুয়োগৰাকী বিষয়াৰ নেতৃত্বত কেন্দ্ৰটোৰ অনুষ্ঠান কাৰ্যবাহী বিষয়া জিণ্টু চেতিয়া আৰু সন্তোষ ঠাকুৰে বাণীবন্ধন কাৰ্যসূচী সম্পন্ন কৰে। সংকটৰ এই সময়ত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই ভুক্তভোগীসকলৰ মনৰ কথা আৰু কণ্ঠস্বৰ সমাজৰ মূলসুঁতিলৈ লৈ অনাৰ লগতে শ্ৰোতাৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক স্থাপনৰ প্ৰয়াস কৰে।

০০০০০০

আজি বিশ্ব হস্তী দিৱস। হস্তী সংৰক্ষণৰ প্ৰতি সজাগতা সৃষ্টিৰ লগতে হাতী-মানুহৰ সংঘাত হ্ৰাস কৰাৰ বাবে আজি এই দিৱস পালন কৰা হৈছে। এইবাৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে – 'সুৰক্ষিত পৰিৱেশ, অনুকুল পথ, সুৰক্ষিত হাতী তথা মোৰ হাতী, মোৰ ঐতিহ্য'। এই দিৱস উপলক্ষে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। উদ্যানখনত আজি চাফাই অভিযান চলোৱা হৈছে।

মানস ৰাষ্ট্ৰীয় উদ্যানতো হস্তী দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। উদ্যানখনৰ বাঁহবাৰী সংমণ্ডলৰ ম'হৰ কেম্পত আজি মাউতসকলৰ সৈতে মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত কেইবাগৰাকীও পশু চিকিৎসক আৰু হস্তী বিশেষজ্ঞই অংশগ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ বাঁহবাৰী

সংমণ্ডলৰ মাণ্ডলিক বন বিষয়া কবীৰ নাথে এই বিষয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে উদ্যানখনৰ সূত্ৰই প্ৰকাশ কৰা মতে মানস ৰাষ্ট্ৰীয় উদ্যানত কমেও এহেজাৰ ৭০০ টা বনৰীয়া হাতী আৰু ৫৯ টা পোহনীয়া হাতী আছে। তদুপৰি উদ্যানখনত হাতী সুৰক্ষাৰ বাবে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা হৈছে বুলি সূত্ৰটোৱে প্ৰকাশ কৰে।

গোৱালপাৰা জিলাতো আজি বিশ্ব হস্তী দিৱস পালন কৰা হৈছে। জিলাখনৰ ঐতিহাসিক উৰপদ বিলৰ কাষৰীয়া গাঁও ছামাগুৰিত আজি এই উপলক্ষে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আগশাৰীৰ প্ৰকৃতি সংৰক্ষণমূলক স্বেচ্ছাসেৱী সংস্থা নেচাৰ্ছ বেকনৰ উদ্যোগত আজি বিয়লি হাতীৰ সুৰক্ষা আৰু বিচৰণস্থলী সংৰক্ষণ সন্দৰ্ভত সজাগতা সভাৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে গোৱালপাৰা জিলাত হাতী-মানুহৰ সংঘাতে জটিল ৰূপ ধাৰণ কৰিছে। বনাঞ্চল হ্ৰাস, বনভূমিত ব্যৱসায়িক প্ৰতিষ্ঠান, কৃষি আৰু বাসগৃহ নিৰ্মাণ কৰাৰ ফলত হাতীৰ বিচৰণভূমি সংকুচিত হৈ অহা আৰু খাদ্যৰ নাটনি হোৱাৰ ফলত এই সমস্যাৰ সৃষ্টি হৈছে।

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই হস্তী দিৱস উপলক্ষে দিয়া বাৰ্তাত হাতী কেৱল আমাৰ বনাঞ্চলৰ সৌন্দৰ্যই নহয়, বৰং প্ৰকৃতি আৰু পৰিৱেশতন্ত্ৰৰ অবিচ্ছেদ্য অংশ বুলিও প্ৰকাশ কৰে। বিশ্ব হস্তী দিৱসত অসমৰ অৰণ্য হাতীৰ সুৰক্ষিত বিচৰণ, বাসস্থান সংৰক্ষণ, উদ্ধাৰ আৰু পুনৰ সংস্থাপনৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। বন আৰু পৰিৱেশ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বিশ্ব হস্তী দিৱস উপলক্ষে প্ৰকৃতিৰ মহিমামণ্ডিত সম্পদ আৰু জৈৱ বৈচিত্ৰৰ অন্যতম মূল উপাদান হাতীৰ সুৰক্ষা আৰু সংৰক্ষণৰ সংকল্পৰ কথা দোহাৰে।

০০০০০০

দেশত জলবায়ু পৰিৱৰ্তনৰ ভয়ংকৰ প্ৰভাৱ পৰা ২৫ খন স্পৰ্শকাতৰ জিলাৰ ভিতৰত ৰাজ্যৰ ১৫ খন জিলাও আছে। লগতে ৰাজ্যৰ ২৪ খন জিলা বান আৰু খৰাং প্ৰৱণ জিলা হিচাপে চিহ্নিত হৈছে। লোকসভাত কালি সাংসদ গৌৰৱ গগৈয়ে সোধা এটা প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ ৰাজ্য মন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে এই উদ্বেগজনক তথ্য দাঙি ধৰে। সমগ্ৰ দেশৰ ভিতৰত আটাইতকৈ জলবায়ু স্পৰ্শকাতৰ জিলা হিচাপে ৰাজ্যৰ পূৰ্বৰ কৰিমগঞ্জ তথা বৰ্তমানৰ শ্ৰীভূমি জিলাক চিহ্নিত কৰা হৈছে। দেশৰ জলবায়ু পৰিৱৰ্তন প্ৰভাৱিত ৰাজ্যসমূহৰ তালিকাত অসম পঞ্চম স্থানত আছে। ৰাজ্যৰ ১১ খন জিলা বান আৰু খৰাং দুয়োটা বিপদৰ সন্মুখীন হৈ আহিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সিঙে কালি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কালি প্ৰকাশ কৰা মতে বিজ্ঞান আৰু প্ৰযুক্তি বিভাগে জিলা পৰ্যায়ত জলবায়ু পৰিৱৰ্তনৰ ফলত সৃষ্টি হ'ব পৰা বিষয় সন্দৰ্ভত পৰ্যালোচনা কৰা বুলি উল্লেখ কৰে। আনহাতে কেন্দ্ৰীয় চৰকাৰে চলোৱা সমীক্ষাত অসমৰ বান আৰু খৰাং পৰিস্থিতিৰ ভয়াৱহ ছবিও উন্মোচিত হৈছে। ৰাজ্যখনৰ ২৪ খন জিলা অতি উচ্চ বান আৰু খৰাং পীড়িত পৰিবেশৰ শ্ৰেণীত অন্তৰ্ভুক্ত হৈছে। ইয়াৰোপৰি ১১ খন জিলা বান আৰু খৰাং দুয়োটা বিপদৰ সন্মুখীন হোৱাৰ সম্পূৰ্ণ সম্ভাৱনাৰ আশংকা প্ৰকাশ কৰা হৈছে। এই তালিকাত চৰাইদেউ, ডিব্ৰুগড়, শিৱসাগৰ, দক্ষিণ শালমাৰা-মানকাচৰ আৰু গোলাঘাট জিলাও আছে। ইফালে জলবায়ু পৰিৱৰ্তনৰ বাবে ৰাষ্ট্ৰীয় অভিযোজন পুঁজিৰ অধীনত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক কেন্দ্ৰ কৰি ২৪ দশমিক ৫-৭ কোটি টকাৰ প্ৰকল্প ৰূপায়ণ কৰা হৈছে। গোলাঘাট, নগাঁও আৰু শোণিতপুৰ জিলাৰ কাজিৰঙাৰ সমীপৱৰ্তী অঞ্চলত ৰূপায়িত এই প্ৰকল্পৰ জৰিয়তে নিৰ্বাচিত বিল-জলাশয় পুনৰুজ্জীৱিত কৰা, পানী ধাৰণ ক্ষমতা বৃদ্ধি আৰু পৰিৱেশ তন্ত্ৰৰ বহনক্ষমতা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে।

০০০০০০

ধেমাজি জিলাৰ গোগামুখৰ অসম-অৰুণাচল সীমান্তৱৰ্তী মিংমাং বদতিত যোৱা সোমবাৰে অৰুণাচলৰ দুৰ্বৃত্তই সীমান্তৱৰ্তী লোকলৈ লক্ষ্য কৰি সংঘটিত কৰা গুলীচালনাৰ ঘটনাৰ সঠিক আৰু নিৰপেক্ষ তদন্ত হ'ব। অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে আজি পুৱাৰ ভাগত ৰাজ্যৰ শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুক ফোনযোগে বাৰ্তালাপ কৰি এই আশ্বাস প্ৰদান কৰে।

ইফালে এই ঘটনাৰ বিৰুদ্ধে জিলাখনৰ জোনাইৰ সীমান্তৱৰ্তী স্থানসমূহত আজি পুৱা ৫ বজাৰপৰা মিচিং জনগোষ্ঠীয় ছাত্ৰ সংগঠন - টি এম পি কেই অনিৰ্দিষ্টকালীন পথ অৱৰোধ আৰু অৰ্থনৈতিক অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰিছে। প্ৰতিবাদকাৰীসকলে সীমান্তৱৰ্তী অসমৰ লোকসকলৰ নিৰাপত্তা নিশ্চিত কৰা আৰু গুলীচালনাৰ ঘটনাত জড়িতসকলক শীঘ্ৰেই গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি বিহাৰ লগতে ভুক্তভোগীসকলক ন্যায় দিয়াৰ দাবী উত্থাপন কৰিছে।

উল্লেখযোগ্য যে যোৱা ১০ আগষ্টত অঞ্চলটোত সংঘটিত গুলীচালনাৰ ঘটনাক লৈ সীমান্তৱৰ্তী অঞ্চলত উত্তেজনাৰ সৃষ্টি হৈছিল। এই ঘটনাত আহত ৪ জন যুৱক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি এই লোককেইজনৰ স্বাস্থ্যৰ বুজ লয়। ইপিনে, বিবদমান অঞ্চলটোত সৃষ্টি হোৱা এই পৰিস্থিতি সাময়িক আৰু সম্প্ৰতি নিয়ন্ত্ৰণত আছে বুলি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই প্ৰকাশ কৰিছে।

**বাইট**

০০০০০০

১৩৫ সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাব কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। দলটোৱে কালি গুৱাহাটীৰ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত গ্ৰুপ-এফ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত এফ চি ৰানক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। গ্ৰুপ পৰ্যায়ত নৰ্থ ইষ্ট ইউনাইটেডে তিনিখন খেলতে জয়লাভ কৰি শীৰ্ষস্থানত থকাৰ বিপৰীতে প্ৰতিযোগিতাখনত প্ৰথমবাৰৰ বাবে অংশগ্ৰহণ কৰা এফ চি ৰানে তিনিখন খেলৰ পৰা ৩ পইণ্ট অৰ্জন কৰিবলৈ সমৰ্থ হয়।

প্ৰতিযোগিতাত আজি হ'বলগীয়া গ্ৰুপ-ডিৰ এখন গুৰুত্বপূৰ্ণ খেলত NEROCA ফুটবল ক্লাব এফ চি ৰেংডাইৰ মুখামুখি হ'ব। খেলখন বিয়লি ৪ বজাত ইম্ফলৰ খুমান লাম্পাক মেইন ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ইপিনে সন্ধিয়া ৭ বজাত কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগণত হ'বলগীয়া গ্ৰুপ-বিৰ এখন খেলত মহমেদান স্পৰ্টিং ক্লাব ইণ্ডিয়ান আৰ্মী ফুটবল টীমৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

**সমাপ্ত**